**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-07-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

**--------------------**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বাক্সাৰ জালাহত বিজেপিৰ কৰ্মী সন্মিলনত ভাগ ল'ব। ভ্ৰমণকালত মুখ্যমন্ত্ৰীগৰাকীয়ে জিলাখনত গ্ৰহণ কৰা উন্নয়ন প্ৰচেষ্টাসমূহৰ বুজ ল'ব। তেওঁ লগতে জনসাধাৰণৰ সৈতে সৈতে চৰকাৰী আঁচনি আৰু ৫টা মণ্ডলৰ কৰ্মীৰ সৈতে বিটিচি নিৰ্বাচন সন্দৰ্ভত মত বিনিময় কৰিব।

ড০ শৰ্মাই কালি তামুলপুৰ জিলাত ৰাজ্য চৰকাৰৰ কল্যাণকামী আঁচনিসমূহৰ ৰূপায়ণ আৰু অগ্ৰগতি সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে এই আঁচনিসমূহৰ বৰ্তমানৰ স্থিতি, হিতাধিকাৰীৰ সংখ্যা আৰু তৃণমূল পৰ্যায়ত ইয়াৰ প্ৰভাৱৰ পৰ্যালোচনা কৰে। ইয়াৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বিটিআৰ অঞ্চলৰ সকলো জাতি-জনগোষ্ঠীৰ লোকে এই আঁচনিসমূহৰ জৰিয়তে যাতে উপকৃত হ'ব পাৰে, এই বিষয়টো তেওঁ নিশ্চিত কৰিছে। ড০ শৰ্মাই কালি তামুলপুৰত বিজেপিৰ নতুন জিলা কাৰ্যালয় উদ্বোধন কৰে। তেওঁ ডং বান্ধ সমিতিৰ প্ৰতিনিধিবৰ্গৰ সৈতে এখন বৈঠকত মিলিত হৈ তেওঁলোকৰ সমস্যাসমূহ সমাধানৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণৰ আশ্বাস দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে জিলাখনৰ কেইবাটাও দল-সংগঠনৰ সৈতে মত-বিনিময় কৰি তেওঁলোকৰ সমস্যাৰ বুজ লয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কাইলৈ চিৰাং আৰু পৰহিলৈ কোকৰাঝাৰ ভ্ৰমণ কৰিব।

oooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ সন্ধিয়া গুৱাহাটীৰ ৰুক্মিনীগাঁৱৰ নৱনিৰ্মিত উৰণ সেতুখন উদ্বোধন কৰিব। এই উৰণ সেতুখনে ছয়মাইল, ডাউন টাউন, ৰুক্মিনীগাঁৱৰ যান-জট লাঘৱ কৰিব বুলি আশা কৰা হৈছে। ২০২৪ চনৰ অক্টোবৰত উৰণ সেতুখনৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হৈছিল। উৰণ সেতুখনৰ নিৰ্মাণৰ বাবে ১৮ মাহ ধাৰ্য কৰা হৈছিল যদিও ৯ মাহৰ ভিতৰতে ইয়াৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰা হয়।

oooooo

অসমে যোৱা জানুৱাৰীৰ পৰা জুনৰ ভিতৰত চোৰাংচোৱা তথ্য আহৰণৰ উদ্দেশ্যে নেট গ্ৰীড সমাধান ব্যৱহাৰত শীৰ্ষ প্ৰদৰ্শনকাৰী ৰাজ্যসমূহৰ অন্যতম ৰূপে পৰিগণিত হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে। তেওঁ লগতে এই সাফল্যৰ বাবে অসম আৰক্ষীক অভিনন্দন জ্ঞাপন কৰে।

oooooo

চি আৰ পি এফৰ এটা দলে আজি গোলাঘাট জিলাৰ মেৰাপানী সীমান্তত অভিযান চলাই বুজন পৰিমাণৰ বিদেশী চিগাৰেট জব্দ কৰে। চিগাৰেটখিনি নাগালেণ্ডৰ পৰা এখন ট্ৰাকযোগে গোলাঘাটলৈ সৰবৰাহ কৰা হৈছিল। চিগাৰেটখিনিৰ বজাৰ মূল্য ২০ লাখ টকাৰো অধিক হ'ব বুলি অনুমান কৰা হৈছে।

চি আৰ পি এফে ঘটনা সংক্ৰান্তত ট্ৰাকখনৰ চালক বাবাতু গগৈক আটক কৰিছে। চালকজনক ইতিমধ্যে মেৰাপানী আৰক্ষীক গতাই দিয়া হৈছে।

০০০০০০

ৰাজহুৱা খণ্ডৰ মহাৰত্ন কোম্পানী আৰ ই চি লিমিটেডে বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ উন্নয়নৰ বাবে কোম্পানীৰ সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত ৫ কোটি ৩০ লাখ টকা অনুদান আগবঢ়াইছে। এই অনুদানৰ ধনৰাশিৰে ১২০টাৰো অধিক অবৈধ চিকাৰ বিৰোধী শিবিৰত সৌৰ শক্তি আৰু খোৱাপানীৰ সুবিধা উন্নত কৰা হ'ব। ইয়াৰ ফলত বন বিভাগৰ কৰ্মচাৰীসকলৰ বাবে কৰ্মৰ পৰিবেশ অধিক অনুকূল হৈ উঠিব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাজিৰঙাৰ সুৰক্ষা আৰু সংৰক্ষণৰ দিশত আগবঢ়োৱা এই অৱদানৰ বাবে কোম্পানীটোৰ শলাগ লৈছে।

০০০০০০

অসম সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ দ্বিতীয় পূৰ্ণাংগ কাৰ্যনিৰ্বাহক অধিৱেশনখন কাইলৈ চিৰাঙৰ ঢালিগাঁৱত অনুষ্ঠিত হ'ব। বঙাইগাঁও শোধনাগাৰৰ চৌহদত হ'বলগীয়া এই অধিৱেশনত অসম সাহিত্য সভাৰ সভাপতি, প্ৰধান সম্পাদক আৰু বিষয়ববীয়া সকলৰ লগতে অসমৰ প্ৰতিখন জিলাৰ পৰা কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য-সদস্যাসকলে অংশগ্ৰহণ কৰিব। অসম সাহিত্য সভাৰ স্মৃতি গ্ৰন্থ **চিৰাং জ্যোতি**ৰ লগতে ভালেকইখন গ্ৰন্থ উন্মোচন কৰা হ'ব।

০০০০০০

অসম প্ৰকাশন পৰিষদে ৰাজ্যৰ সাহিত্য আৰু বৌদ্ধিক ক্ষেত্ৰৰ প্ৰসাৰ তথা প্ৰচাৰৰ উদ্দেশ্যে গ্ৰন্থবৰ্ষ ২০২৫ ফেলোশ্বিপ আৰম্ভ কৰিছে। অসমীয়া, বাংলা, বড়ো আৰু ৰাজ্যৰ আদিবাসী ভাষাসমূহৰ বচা বচা ২২টা বিষয়ত পাণ্ডুলিপি প্ৰস্তুত কৰিবলৈ লেখকসকলে এই জলপানিৰ বাবে আবেদন কৰিব পাৰিব। আবেদনৰ অন্তিম তাৰিখ অহা ৩১ জুলাই ধাৰ্য কৰা হৈছে। বচা বচা লেখকসকলক ৫০ৰ পৰা ৭৫ হাজাৰ টকালৈকে আৰ্থিক অনুদান প্ৰদান কৰা হ'ব।

০০০০০০

উচ্চতম ন্যায়ালয়ে গুৱাহাটী উচ্চ ন্যায়ালয়ত চাৰিগৰাকী নতুন ন্যায়াধীশ নিযুক্তিৰ প্ৰস্তাৱত অনুমোদন জনাইছে। উচ্চতম ন্যায়ালয়ৰ কলেজিয়ামৰ যোৱা ১ জুলাইত অনুষ্ঠিত বৈঠকত জ্যেষ্ঠ অধিবক্তা অঞ্জন কলিতা আৰু ৰাজেশ মজুমদাৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰূপে নিযুক্তিত অনুমোদন জনায়। কলেজিয়ামে অসম ন্যায়িক সেৱাৰ জ্যেষ্ঠ বিষয়া প্ৰাঞ্জল দাস আৰু সঞ্জীৱ শৰ্মাকো গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰূপে নিযুক্তিত অনুমোদন জনায়। কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰালয়ে এই চাৰিগৰাকী ব্যক্তিৰ নিযুক্তিৰ ক্ষেত্ৰত আনুষ্ঠানিকভাৱে অধিসূচনা জাৰি কৰিলে তেওঁলোকৰ নিযুক্তি কাৰ্যকৰী হ'ব।

০০০০০০

সমাপ্ত